# ১৬ আৱৰ্জনা সৃষ্টি আৰু নিষ্কাশন

আমি আমাৰ ঘৰ, বিদ্যালয়, দোকান আৰু কাৰ্যালয়ৰ পৰা বহুতো জাবৰ বা আৱৰ্জনা পেলাওঁ। দোকানত কিনা গুটি শস্য, দাইল, মাহ, বিস্কুট, গাখীৰ বা তেল আদি প্লাষ্টিক মোনা বা টিনত ভৰোৱা থাকে নতুবা ভৰাই দিয়ে। সামগ্ৰী ভৰোৱা এই সকলোবোৰ বস্তু আৱৰ্জনাৰূপে পাছত পেলাই দিয়া হয়। আমি কেতিয়াবা এনে বস্তু কিনো যিবোৰ কাচিৎহে ব্যৱহাৰ হয় আৰু প্ৰায়েই এইবোৰ আৱৰ্জনা হিচাপে পেলাই দিব লগা হয়।

আমি আমাৰ দৈনন্দিন জীৱনত বহুতো আৱৰ্জনা সৃষ্টি কৰোঁ। প্ৰায়ে আমি ৰাজহুৱা স্থানত, বাছত বা ৰেলগাড়ীত বাদাম খাই বাদামৰ বাকলিবোৰ পেলাই দিওঁ। আমি বাছৰ পৰা নমাৰ পিছত টিকটটোও পেলাই দিওঁ। ল'ৰা-ছোৱালীয়ে অকল আনন্দৰ বাবেও পেঞ্চিল জোঙা কৰি থাকিব পাৰে। কেতিয়াবা লিখোতে ভুল কৰিলে বা বহীত চিয়াঁহী পৰিলেও বহীৰ পাতখন ফালি পেলাই দিওঁ। বহু ঘৰুৱা আৱৰ্জনা যেনে— ভঙা পুতলা, পুৰণা কাপোৰ, জোতা আৰু চেণ্ডেল আদিও আমি পেলাই দিওঁ।

আমাৰ ঘৰ আৰু চৌপাশৰ আৱৰ্জনাবোৰ যদি আঁতৰাই পেলোৱা নহয়, তেতিয়া কি হ'ব বাৰু? এইবোৰেনো আমাক কেনেকৈ অপকাৰ কৰে? চাফা কৰা মানুহে আৱৰ্জনাবোৰ জাবৰ পেলোৱা বাকচৰ পৰা তুলি নি ক'ত পেলায় আৰু এইবোৰৰ কি হয়? এই সকলোবোৰ আৱৰ্জনাক আমাক অপকাৰ নকৰা বস্তুলৈ সলনি কৰা সম্ভৱনে? এইক্ষেত্ৰত আমি কিবা প্ৰকাৰে সহায় কৰিব পাৰোনে? এই অধ্যায়ৰ পৰা এই প্ৰশ্নবোৰৰ উত্তৰ পাওঁ নেকি চাওঁ আহা।

প্ৰহেলিকা আৰু প্ৰজ্ঞানহঁতৰ বিদ্যালয়ৰ ল'ৰা-ছোৱালীবোৰে 'আৱৰ্জনাৰ সৈতে মোকাবিলা' শীৰ্ষক এটা প্ৰকল্প কৰিছিল। এই প্ৰকল্পটোৰ পৰা তেওঁলোকে শিকা কিছুমান কথা আমিও শিকোঁ আহা।




## ১৬.১ আৱৰ্জনাৰ সৈতে মোকাবিলা

চাফাই কাম কৰা মানুহে আৱৰ্জনাবোৰ গোটাই ট্ৰাকত ভৰায় আৰু এডোখৰ দ মুকলি ঠাই, যাক **আৱৰ্জনা পেলোৱা ঠাই** বুলি কোৱা হয়, তালৈ লৈ যায়।



চিত্ৰ ১৬.১ ঃ এখন আৱৰ্জনা পেলোৱা ঠাই

তাত আৱৰ্জনাবোৰৰ পৰা পুনৰ ব্যৱহাৰ কৰিব পৰা অংশখিনিক পুনৰ ব্যৱহাৰ কৰিব নোৱাৰা অংশৰ পৰা পৃথক কৰা হয়। আৱৰ্জনাবোৰৰ মাজত ব্যৱহাৰৰ উপযোগী আৰু ব্যৱহাৰৰ অনুপযোগী দুয়োটা উপাদান থাকে। ব্যৱহাৰৰ অনুপযোগী উপাদানবোৰ পৃথক কৰা

হয়। পাছত সেইবোৰ জাবৰ পেলোৱা ঠাইখনত সিঁচৰতি কৰি মাটিৰ এটা তৰপেৰে ঢাকি দিয়া হয়। যেতিয়া জাবৰ পেলোৱা ঠাইখন সম্পূৰ্ণভাৱে পূৰ্ণ হয় তেতিয়া সাধাৰণতে এই ঠাইক উদ্যান বা খেল পথাৰলৈ পৰিৱৰ্তিত কৰা হয়। পাছৰ প্ৰায় বিশ বছৰ সময়লৈ তাত কোনো ধৰণৰ ডাঙৰ ঘৰ সাঁজিব দিয়া নহয়। আৱৰ্জনাৰ ব্যৱহাৰৰ উপযোগী উপাদানবোৰৰ কিছুমানক ব্যৱহাৰত লগাবৰ বাবে জাবৰ পেলোৱা ঠাইখনৰ ওচৰতে উপাদানবোৰৰ পৰা পচন সাৰ তৈয়াৰ হোৱা এক এলেকা গঢ়ি তোলা হয়। পচন সাৰ বাৰু কি? তলৰ ক্ৰিয়াকলাপৰ দ্বাৰা ইয়াৰ বিষয়ে শিকোঁ আহা।

প্ৰহেলিকা আচৰিত হৈছিল যে ব্যৱহাৰৰ উপযোগী আৱৰ্জনানো কোনবোৰ? প্ৰথমতে কিয় এইবোৰ পেলাই দিয়া হয়? এনে কিছুমান আৱৰ্জনা আছেনে যিবোৰ প্ৰকৃততে আৱৰ্জনা নহয়?



## ক্ৰিয়াকলাপ ১

আৱৰ্জনা পেলোৱা বাকচত (Dustbin) পেলাই দিয়াৰ আগতে তোমালোকে ঘৰৰ আৱৰ্জনাবোৰ গোটাই লোৱা। এইবোৰ তলত দিয়া ধৰণে দুটা ভাগত ভাগ কৰা—

**ভাগ- ১ ঃ** পাকঘৰৰ পৰা পোৱা আৱৰ্জনা, যেনে— ফল আৰু শাক-পাচলিৰ বাকলি, কণীৰ বাকলি, পেলনীয়া আহাৰ, চাহপাত। বাতৰি-কাকত, শুকান পাত আৰু কাগজৰ বেগও এইটো ভাগত থাকিব।

**ভাগ- ২ ঃ** কৃত্ৰিম আঁহেৰে তৈয়াৰী কাপোৰৰ টুকুৰা, পলিথিনৰ বেগ, ভঙা কাচ, এলুমিনিয়ামৰ কাগজ, গজাল, পুৰণা জোতা আৰু ভঙা পুতলা।

প্ৰত্যেকটো ভাগৰ বস্তুবোৰ পুনৰ দুটা পৃথক দ'মত ভাগ কৰা। সিহঁতক ক, খ, গ, আৰু ঘ নামেৰে চিহ্নিত কৰা। 'ভাগ- ১'ৰ পৰা এটা দ'ম আৰু 'ভাগ- ২'ৰ পৰা এটা দ'ম লৈ দুটা পৃথক পৃথক পলিথিনৰ মোনাত ভৰোৱা। এই মোনা দুটাৰ মুখ কেইখন টানকৈ বান্ধা। চাৰিওটা দ'ম চাৰিটা পৃথক গাঁতত পোতা আৰু মাটিৰে ঢাকি দিয়া (চিত্ৰ ১৬.২)। তোমালোকে আৱৰ্জনাবোৰ পোতাৰ বাবে চাৰিটা মাটিৰ পাত্ৰও ব্যৱহাৰ কৰিব পাৰা।



**চিত্ৰ ১৬.২ ঃ** আৱৰ্জনাৰ দ'ম গাঁতত পোতা হৈছে

চাৰিদিনৰ পাচত মাটিখিনি আঁতৰোৱা আৰু আৱৰ্জনাখিনিত হোৱা পৰিৱৰ্তন পৰ্যৱেক্ষণ কৰা। আৱৰ্জনাখিনিৰ ক'লা ৰং হোৱা আৰু লেতেৰা গোন্ধ নথকাটোৱে ইঙ্গিত দিয়ে যে আৱৰ্জনাবোৰৰ পচন সম্পূৰ্ণ হৈছে। পুনৰ দ'মবোৰ গাঁতত ৰাখা আৰু মাটিৰে ঢাকি দিয়া। প্ৰত্যেক দুদিনৰ মূৰে মূৰে পৰ্যৱেক্ষণ কৰা আৰু পৰ্যৱেক্ষণবোৰ তলত দিয়া ধৰণে লিপিবদ্ধ কৰা।

আৱৰ্জনাবোৰৰ —

(ক) পচন সম্পূৰ্ণ আৰু গোন্ধ নাইকিয়া হৈছে নেকি?

(খ) পচন আংশিকহে হৈছে নেকি?

(গ) পচন প্ৰায় সম্পূৰ্ণ কিন্তু বেয়া গোন্ধ এতিয়াও আছে নেকি?

(ঘ) একেবাৰে সলনি হোৱা নাই নেকি?

আৱৰ্জনাৰ কোনটো দ'মত পচন হোৱা দেখা গৈছে আৰু কোনটোত দেখা পোৱা নাই?

তোমাৰ পৰ্যৱেক্ষণৰ ওপৰত ভিত্তি কৰি তালিকা ১৬.১ ৰ স্তম্ভবোৰ (ক), (খ), (গ) বা (ঘ) ৰে পূৰ্ণ কৰা। তোমালোকৰ পৰ্যৱেক্ষণত যদি আন কিবা লক্ষ্য কৰিছা তাকো তোমালোকৰ টোকাবহীত লিপিবদ্ধ কৰিবলৈ নাপাহৰিবা। যিবোৰ আৱৰ্জনাৰ পচন হোৱা নাই, সেইবোৰ আৱৰ্জনা আঁতৰাই নথবা আৰু পুৰি নেপেলাবা।

**তালিকা ১৬.১ ঃ আৱৰ্জনাৰ দ'মবোৰত কি ঘটিছে?**

| আৱৰ্জনাৰ দ'ম | চাৰি দিনৰ পাছত | ছয় দিনৰ পাছত | দুই সপ্তাহৰ পাছত | চাৰি সপ্তাহৰ পাছত |
|---|---|---|---|---|
| ক | | | | |
| খ | | | | |
| গ | | | | |
| ঘ | | | | |

যদি আৱৰ্জনাবোৰ সম্পূৰ্ণভাৱে পচন হোৱা দেখা গৈছে আৰু গোন্ধো নাই তেনেহ'লে সেইবোৰ তোমালোকে ভালপোৱা গছৰ গুটি সিঁচিব খোজা মাটিত মিহলাই দিবা। এইবোৰে উদ্ভিদক পুষ্টি যোগান ধৰিব।

এই ক্ৰিয়াকলাপৰ পৰা তোমালোকে পৰ্যৱেক্ষণ কৰিলা যে আৱৰ্জনাৰ কিছুমান বস্তুৰ পচন হয়। সিহঁতে উদ্ভিদৰ বাবে প্ৰয়োজনীয় সাৰ প্ৰস্তুত কৰে। দ্ৰব্য কিছুমান পচি সাৰ হোৱাকে **'পচন'** বোলে।


কিছুমান নগৰ আৰু চহৰত পৌৰ নিগমে আৱৰ্জনা সংগ্ৰহ কৰাৰ বাবে দুটা পৃথক জাবৰ পেলোৱা পাত্ৰৰ যোগান ধৰে। সাধাৰণতে এটাৰ ৰং নীলা আৰু আনটোৰ সেউজীয়া। নীলা ৰঙৰ জাবৰ পেলোৱা পাত্ৰটো পুনৰ ব্যৱহাৰ কৰিব পৰা বস্তুবোৰ যেনে— প্লাষ্টিক, ধাতু আৰু কাচৰ বাবে ৰখা হয়। তোমালোকে মন কৰিছিলা নে যে এইবোৰেই সেই বস্তুবোৰ যিবোৰ জাবৰৰ দ'মত পচি নাযায়। সেউজীয়া পাত্ৰটো পাকঘৰ আৰু আন উদ্ভিদ বা প্ৰাণীৰ বৰ্জিত দ্ৰব্য সংগ্ৰহ কৰাৰ বাবে ৰখা হয়। তোমালোকে দেখিছিলা যে এনেধৰণৰ জাবৰবোৰ যেতিয়া মাটিত পোতা হয় তেতিয়া সম্পূৰ্ণভাৱে পচন হয়। জাবৰবোৰ পেলাই দিয়াৰ আগতে 'ক্ৰিয়াকলাপ ১' ত কৰাৰ দৰে এইবোৰক দুটা ভাগত পৃথক কৰাটো কিয় প্ৰয়োজন তোমালোকে দেখিলানে?


ৰাস্তাৰ দাঁতিত শুকান পাতৰ জাবৰৰ দ'ম তোমালোকে দেখিছানে? বেছিভাগ সময়তে এইবোৰ জ্বলাই দিয়া হয় (চিত্ৰ ১৬.৩)। খেতি চপোৱাৰ পাছত খেতিয়কসকলেও তুঁহ, শুকান পাত আৰু শস্যৰ অলাগতিয়াল অংশবোৰ পথাৰত জ্বলাই দিয়ে। এইবোৰ জ্বলোৱাৰ পাছত ওলোৱা ধোঁৱা আৰু গেছবোৰ আমাৰ স্বাস্থ্যৰ বাবে অপকাৰী। আমি এনে ধৰণৰ অভ্যাসবোৰ বন্ধ কৰিবলৈ চেষ্টা কৰিব লাগে। এই জাবৰবোৰ প্ৰয়োজনীয় পচন সাৰলৈ ৰূপান্তৰ কৰিব পাৰি।

ইয়াত প্ৰহেলিকা আৰু প্ৰজ্ঞানে সিহঁতৰ 'আৱৰ্জনাৰ সৈতে মোকাবিলা' প্ৰকল্পত লক্ষ্য কৰা কিছুমান পৰ্যৱেক্ষণ আৰু চিন্তাধাৰা উল্লেখ কৰা হ'ল —



**চিত্ৰ ১৬.৩ ঃ** পাত পোৰাৰ পিছত উৎপন্ন হোৱা অপকাৰী গেছ




আচলতে চুৰি কাৰ্য নহয়। তাই আচলতে বুজাব খুজিছে 'অনৈতিক'। মানে তাই বিচাৰিছে যে চৰকাৰে পাত আৰু উদ্ভিদজাত জাবৰবোৰ জ্বলোৱাৰ বিপক্ষে ভাৰতৰ সকলো ঠাইৰ বাবে এখন আইন প্ৰণয়ন কৰিব লাগে।

## ১৬.২ কেঁচু সাৰ প্ৰস্তুতকৰণ

পচন সাৰ যোগান ধৰি আমি উদ্ভিদৰ বন্ধু হ'ব পাৰোঁ। পচন সাৰ প্ৰস্তুত কৰি আমি নিজেও নিজৰ ভাল বন্ধু হ'ব পাৰোঁ।

বন্ধু বোলোতে কেঁচু যে খেতিয়কৰ বন্ধু তাক জানানে? এতিয়া এবিধ ৰঙা কেঁচুক পচনত কেনেদৰে ব্যৱহাৰ কৰে চাওঁ আহা। এইদৰে ৰঙা কেঁচুৰ দ্বাৰা যি পদ্ধতিৰে পচন সাৰ প্ৰস্তুত কৰা হয় তাক **'কেঁচু সাৰ প্ৰস্তুতকৰণ'** বোলা হয়। আমি বিদ্যালয়ত কেঁচুসাৰ প্ৰস্তুত কৰণৰ পদ্ধতিৰ দ্বাৰা সাৰ প্ৰস্তুত কৰিব পাৰোঁ।

### ক্ৰিয়াকলাপ ২

প্ৰায় ৩০ চে.মি. দ' এটা গাঁত খান্দা বা এঠাইত এটা কাঠৰ বাকচ ৰাখা। বাকচ ৰখা ঠাইডোখৰ বেছি গৰম বা বেছি ঠাণ্ডা হ'ব নালাগে। সূৰ্যৰ পোহৰ পোনপটীয়াকৈ নপৰা ঠাই এডোখৰেই উপযুক্ত হ'ব। এতিয়া গাঁত বা বাকচত ৰঙা কেঁচুৰ বাবে এটা সুবিধাজনক আবাসৰ ব্যৱস্থা কৰি লওঁ আহা।

গাঁত বা বাকচৰ তলত এডোখৰ তাঁৰৰ জালি পাৰি দিয়া বা ইয়াৰ সলনি তোমালোকে ১ৰ পৰা ২ চে.মি. ডাঠ বালিৰ তৰপো দিব পাৰা। এতিয়া শাক-পাচলিৰ বৰ্জিত বস্তুৰ সৈতে ফলৰ বাকলি আদি বালিৰ ওপৰত থৈ বহলাই মেলি দিয়া।

তোমালোকে সেউজীয়া পাত, শুকান গছৰ ঠাৰি, শস্যৰ তুঁহ বা বাতৰি কাকতৰ টুকুৰা বা ডাঠ কাগজ আদিও বালিৰ ওপৰত বহলাই মেলি দিব পাৰা। চিক্‌মিকোৱা বা প্লাষ্টিকেৰে আবৃত কাগজ আদি এইক্ষেত্ৰত ব্যৱহাৰ নকৰিবা। শুকান গোবৰো বালিৰ বা তাঁৰৰ জালিৰ ওপৰত ব্যৱহাৰ কৰিব পাৰা।

সেমেকা কৰিবৰ বাবে তৰপটোৰ ওপৰত কিছু পৰিমাণে পানী ছটিয়াই দিয়া। সাৱধান হ'বা যাতে বেছি পানী ব্যৱহাৰ নহয়। বৰ্জিত বস্তুৰ এই তৰপটোত হেঁচা নিদিবা। এই তৰপটো ঢিলা কৰি ৰাখিবা যাতে ইয়াত পৰ্যাপ্ত পৰিমাণে বায়ু আৰু জলীয় বাষ্প থাকে।

এতিয়া তোমালোকৰ গাঁতটো ৰঙা কেঁচু দিবলৈ উপযুক্ত হৈ পৰিল। কেইডালমান ৰঙা কেঁচু কিনি আনা আৰু সিহঁতক গাঁতত ভৰোৱা (চিত্ৰ ১৬.৪)। এতিয়া কেঁচুবোৰ মৰাপাটৰ বেগ বা পুৰণা কাপোৰ বা ঘাঁহৰ তৰপেৰে ঢিলাকৈ ঢাকি দিয়া।



**চিত্ৰ ১৬.৪ ঃ** ৰঙা কেঁচু

ৰঙা কেঁচুবোৰক খাদ্যৰ প্ৰয়োজন হ'ব। তোমালোকে সেইবোৰক শাক-পাচলি আৰু ফলৰ পেলনীয়া অংশ, কফি আৰু চাহৰ অৱশিষ্ট আৰু পথাৰ বা বাগিছাৰ ঘাঁহ-বন আদি দিব পাৰা (চিত্ৰ ১৬.৫)। আটাইতকৈ ভাল হয় যদিহে এই আহাৰবোৰেৰে গাঁতটোৰ ভিতৰৰ প্ৰায় ২-৩ চে.মি. পুতি দিব পাৰা। নিমখ থকা খাদ্য বস্তু, আচাৰ, তেল, ভিনেগাৰ, মাংস আৰু গাখীৰেৰে বনোৱা খাদ্য আদি পেলনীয়া বস্তুবোৰ ৰঙা কেঁচুক খাদ্য হিচাপে নিদিবা। এই বস্তুবোৰ যদি তোমালোকে গাঁতত পেলোৱা তেতিয়াহ'লে গাঁতৰ ভিতৰত ৰোগ সৃষ্টি কৰা অনুজীৱৰ উদ্ভৱ হ'ব। কিছুদিনৰ পিছত এবাৰ তোমালোকে গাঁতৰ ওপৰৰ তৰপটো সাৱধানেৰে লৰাই মিহলাই দিবা।



**চিত্ৰ ১৬.৫ ঃ** ৰঙা কেঁচুৰ আহাৰ

ৰঙা কেঁচুৰ দাঁত নাথাকে। আহাৰ গুড়ি কৰাত সহায় কৰিবৰ বাবে সিহঁতৰ 'পেষণী' আছে। কণীৰ চোকোৰাৰ গুড়ি বা শামুকৰ খোলা আদি পেলনীয়া বস্তুবোৰৰ লগত মিহলাব পাৰা। এইবোৰে ৰঙা কেঁচুক সিহঁতৰ আহাৰ গুড়ি কৰাত সহায় কৰে। ৰঙা কেঁচুৱে নিজৰ শৰীৰৰ ওজনৰ সমান পৰিমাণৰ আহাৰ এদিনত গ্ৰহণ কৰিব পাৰে।

ৰঙা কেঁচু বেছি গৰম আৰু বেছি ঠাণ্ডা পৰিৱেশত জীয়াই থাকিব নোৱাৰে। সিহঁতক সিহঁতৰ চাৰিওফালে জলীয় বাষ্পও লাগে। যদি ভালকৈ যত্ন ল'ব পাৰা তেন্তে এটা মাহৰ ভিতৰত সিহঁতৰ সংখ্যা দুগুণ হ'ব।

৩-৪ সপ্তাহৰ পিছত গাঁতৰ ভিতৰৰ বস্তুবোৰ সাৱধানেৰে পৰ্যৱেক্ষণ কৰা। তোমালোকে গাঁতৰ ভিতৰত এতিয়া ঢিলা মাটিৰ দৰে বস্তু দেখিছানে? এইদৰেই তোমালোকৰ কেঁচুসাৰ প্ৰস্তুত হ'ল। (চিত্ৰ ১৬.৬)



চিত্ৰ ১৬.৬ ঃ কেঁচুসাৰ

গাঁতটোৰ এটা চুকত কিছুমান পেলনীয়া বস্তু খাদ্য হিচাপে ৰাখা। বেছিসংখ্যক কেঁচুৱেই আন অংশ এৰি গাঁতৰ এই অংশটোলৈ আহিব। কেঁচুবোৰ আঁতৰি যোৱা অংশৰ পৰা পচন সাৰ উলিয়াই আনা আৰু কেই ঘণ্টা মানৰ বাবে এইবোৰ ৰ'দত কেইঘণ্টামান শুকাবলৈ দিয়া। তোমালোকৰ কেঁচুসাৰ এতিয়া ব্যৱহাৰৰ বাবে সাজু হ'ল।

বেছিসংখ্যক কেঁচুৱেই গাঁতৰ বৈ যোৱা অংশত আছে। তোমালোকে এইবোৰ আৰু বেছি পচন সাৰ প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ কৰিব পাৰা বা আন কোনো কেঁচু সাৰ প্ৰস্তুতকাৰকক ভগাই দিব পাৰা।

এই উত্তম কেঁচুসাৰ তোমালোকৰ পাত্ৰ বা টাৱত, বাগিছা বা পথাৰ আদিত ব্যৱহাৰ কৰা। 'আৱৰ্জনাৰ পৰা আটাইতকৈ ভাল' ফল পোৱাৰ বাবে এইটো এটা উপায় নহয় জানো? তোমালোকৰ যিসকলৰ খেতিৰ পথাৰ আছে তেওঁলোকে ডাঙৰ গাঁতত কেঁচুসাৰ প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিব পাৰা। এইদৰে তোমালোকে বজাৰৰ পৰা খৰচী ৰাসায়নিক সাৰ আৰু জৈৱিক সাৰ কিনাৰ পৰিৱৰ্তে বহুতো টকা ৰাহি কৰিব পাৰিবা।

## ১৬.৩ পেলোৱাৰ আগতে ভাবি চোৱা

প্ৰত্যেকদিনে প্ৰতি ঘৰৰ পৰা কিমান আৱৰ্জনা বা জাবৰ-জোঁথৰ ওলায় ভাবি চাইছানে? ইয়াৰ হিচাপ নিৰ্ধাৰণ কৰিবৰ বাবে এটা বাল্টি ল'ব পাৰা। তোমালোকৰ ঘৰৰ কেইদিনমানৰ আৱৰ্জনাবোৰ সংগ্ৰহ কৰাৰ বাবে ৫-১০ লিটাৰৰ এটা বাল্টি ব্যৱহাৰ কৰা। কিমান দিনত বাল্টিটো ভৰ্তি হ'ল? তোমালোকে তোমালোকৰ পৰিয়ালৰ সদস্যৰ সংখ্যা নিশ্চয় জানা। যদি তোমালোকে তোমালোকৰ নগৰ বা চহৰৰ জনসংখ্যা জানা, তেতিয়াহ'লে তোমালোকৰ নগৰ বা চহৰত এদিনত কিমান বাল্টি আৱৰ্জনাৰ সৃষ্টি হয় ধাৰণা কৰিব পাৰিবানে? আমি প্ৰতিদিনে আৱৰ্জনাৰ পৰ্বত সৃষ্টি কৰিছোঁ, নহয় জানো? (চিত্ৰ ১৬.৭)



চিত্ৰ ১৬.৭ ঃ চুবুৰীৰ জাবৰৰ দ'ম

এখন গাঁৱৰ বিষয়ে এটা সাধু পঢ়োঁ আহা য'ত জাবৰ-জোঁথৰৰ পৰিমাণ কম আৰু জ্ঞান অধিক আছিল। নানু ৬ষ্ঠ শ্ৰেণীত পঢ়ে। সি কাগজৰ উৰাজাহাজ সাজিবলৈ বৰ ভাল পায়। যেতিয়া সি উৰাজাহাজ সাজিবৰ বাবে টোকা

বহীৰ পৰা পাত ফালে, তেতিয়া তাৰ মাকে বৰ বিৰক্ত হয়, কিন্তু নানুৱে কোনো গুৰুত্ব নিদিয়ে।

এবাৰ নানু মাকৰ লগত খুৰীয়েকৰ গাঁৱলৈ গৈছিল। তাত ভায়েক শ্যামে প্ৰস্তুত কৰা বিভিন্ন বস্তু দেখি সি আচৰিত হৈছিল। পুৰণা চাৰ্ট পেপাৰৰ পৰা ফাইল, পেঞ্চিল কটা কাঠৰ পাতল চোকোৰাৰে প্ৰস্তুত কৰা শুভেচ্ছা পত্ৰ, পুৰণা কাপোৰেৰে প্ৰস্তুত কৰা মেট, পুৰণা পলিথিন মোনাৰে প্ৰস্তুত কৰা খৰাহি আদি বস্তুবোৰ নানুৰ ভাল লাগিল। বিভিন্ন নিমন্ত্ৰণী পত্ৰৰে শ্যামে এখন ডায়েৰীও প্ৰস্তুত কৰিছিল।

এদিন ৰাতিপুৱা নানুৱে আইতাকক বিচাৰি গ'ল। সি দেখিলে যে এটা ডাঠ প্ৰলেপ আইতাকে খৰাহীৰ ওপৰত লগাই আছে। নানুৱে সুধিলে, “আইতা তুমি কি কৰি আছা? এই প্ৰলেপটো কি?”

“এইটো কাগজৰ মণ্ড, ইয়াত বোকা আৰু কাগজৰ লগত মই ধানৰ তুঁহো মিহলি কৰিছোঁ', আইতাকে উত্তৰ দিলে।

“কিন্তু তুমি কিয় খৰাহিৰ ওপৰত এইবোৰ লগাইছা?” নানুৱে সুধিলে।

“ইয়াক মজবুত কৰিবৰ বাবে” বুলি আইতাকে ক'লে আৰু সুধিলে “তুমি মোৰ পৰা এই বিষয়ে শিকিব বিচৰানে?” নানু এইক্ষেত্ৰত বৰ আগ্ৰহী নাছিল আৰু সেয়েহে খেলিবৰ বাবে বাহিৰলৈ দৌৰ দিলে। সি মাথোঁ কাগজ ফালি উৰাজাহাজ সাজিবৰ বাবেহে আগ্ৰহী। আনকি সি শ্যামৰ ফাইলৰ পৰাও কাগজ ফলা আৰম্ভ কৰিলে!

নানুৱে ব্যৱহাৰ কৰা কাগজৰ টুকুৰাবোৰ শ্যামে সংগ্ৰহ কৰিলে আৰু তাক লৈ চিন্তিত হ'ল। সি যে কাৰো কথাই নুশুনে!

কেইদিনমানৰ পাছতেই নানুৰ জন্মদিন আছিল। শ্যামে তাৰ বন্ধুসকলক নিমন্ত্ৰণ কৰাৰ চিন্তা কৰিলে। শ্যামে তাৰ মাটিৰ পাত্ৰৰ পৰা পইচা উলিয়ালে আৰু নানুৰ সৈতে বজাৰলৈ গ'ল। সি কিছুমান কাগজৰ টুপী বন্ধুসকলৰ বাবে কিনি আনিলে। সি দোকানীজনক টুপীবোৰ ৰাখিবৰ বাবে এটা পলিথিনৰ মোনাও বিচাৰিলে। দোকানীজনে পলিথিন মোনাৰ সলনি এটা কাগজৰ মোনা দিলে। নানুৱে আন বস্তু যেনে বিস্কুট আৰু টফি আদিও কিনিলে। সি বস্তুবোৰ কঢ়িয়াবলৈ টান পাইছিল; কাৰণ কোনো এজন দোকানীয়ে তাক পলিথিন মোনা দিবৰ বাবে সন্মত নাছিল। শ্যামে নানুক এখন কাপোৰৰ মোনা লগত লৈ যোৱাৰ কথা কৈছিল। কিন্তু সি তাৰ কথা নুশুনাৰ বাবে এতিয়াহে তাৰ দুখ লাগিল। কিনা বস্তুবোৰৰ সৈতে সিহঁত কোনোমতেহে ঘৰ পাইছিলহি (চিত্ৰ ১৬.৮)।

নানুৰ বন্ধুবোৰে জন্মদিনৰ দিনা বহুত স্ফুৰ্তি কৰিলে আৰু বহু খেলও খেলিলে। সকলো বন্ধুৱে নানুৰ জন্মদিনত উজ্জ্বল কাগজৰ টুপীবোৰ পিন্ধিছিল।



**চিত্ৰ ১৬.৮ ঃ** নানু আৰু সি কিনা বস্তুৰে ভৰা মোনা

শ্যামে বন্ধুসকলৰ বাবে কাগজৰ মণ্ডৰে ধুনীয়া মুখা প্ৰস্তুত কৰিছিল। নানুৰ বাবেও শ্যামৰ এটা বিশেষ উপহাৰ আছিল। এখন ফটো ফ্ৰেম আৰু নানুৱে পেলাই দিয়া কাগজৰ টুকুৰাবোৰ আঠা লগাই সজা এখন শুভেচ্ছা কাৰ্ড! নানুৰ বাবে এইটো এটা নতুন অভিজ্ঞতা হ'ল। মুখাবোৰ লৈ সকলো বন্ধু ঘৰমুৱা হ'ল। নানুৱে তাৰ আহাৰ শেষ কৰি উপহাৰবোৰ চাবৰ বাবে অধীৰ হৈ পৰিছিল।

বন্ধ শেষ হোৱাৰ পিছত নানু ঘৰলৈ ঘূৰি আহিল। শ্যামৰ গাঁৱতকৈ তাৰ চহৰখন ইমান বেলেগ! গাঁওখন ইমান চাফ-চিকুণ যে তাত জাৱৰ-জোঁথৰ বোটলা মানুহো নাই। যেতিয়া সি তাৰ ঘৰৰ ওচৰত জাবৰ বোটলা ল'ৰা-ছোৱালীবোৰ দেখিলে তেতিয়া তাৰ মুখৰ মাত বন্ধ হ'ল।

তোমালোকে নিশ্চয় তোমালোকৰ ঘৰৰ ওচৰত বা আন ঠাইত কিছুমান ল'ৰা-ছোৱালীয়ে জাবৰ-জোঁথৰবোৰ ভাগ ভাগ কৰা দেখিছা। সেই ল'ৰা-ছোৱালীবোৰৰ কামবোৰ পৰ্যৱেক্ষণ কৰা আৰু কেনেকৈ সিহঁতে প্ৰয়োজনীয় বস্তুবোৰ জাৱৰ-জোঁথৰৰ পৰা পৃথক কৰিছে চোৱা। সিহঁতে আচলতে আমাক সহায়হে কৰিছে।

এনেকুৱা এজন শিশুৰ লগত কথা পাতা আৰু তলত দিয়া কথাবোৰ বিচাৰি উলিওৱা ঃ

সিহঁতে সংগ্ৰহ কৰা জাৱৰ-জোঁথৰবোৰ সিহঁতে কি কৰে? সিহঁতে এইবোৰ ক'লৈ লৈ যায়?

সি বা তাই বিদ্যালয়লৈ যায় নে? তাৰ বা তাইৰ বন্ধুবোৰে কি কৰে?

যদি সিহঁত বিদ্যালয়লৈ নাযায়, তেতিয়াহ'লে তাৰ সম্ভাব্য কাৰণসমূহ বিচাৰি উলিওৱা।

তোমালোকে এই শিশুসকলক পঢ়া আৰু লিখা কামত সহায় কৰিব পাৰিবানে?

আৱৰ্জনা কিনিবলৈ অহা মানুহক ঘৰৰ পুৰণা বাতৰি কাকত, কাচ আৰু ধাতুৰ বস্তু, প্লাষ্টিক মোনা আৰু তোমালোকৰ পুৰণা টোকা বহী আদি বিক্ৰী কৰি কেতিয়াবা সহায় কৰিছানে? তেওঁৰ লগত কথা পাতা আৰু তেওঁ এই আৱৰ্জনাবোৰেৰে কি কৰে বিচাৰি উলিওৱা।

শ্যামে প্ৰস্তুত কৰাৰ দৰে তুমিও পুৰণা আৰু পেলাই দিয়া কাগজেৰে কাগজ প্ৰস্তুত কৰিব বিচৰা নে? এইবোৰ কৰিবলৈ শিকোঁ আহা।

## ১৬.৪ কাগজৰ পুনৰাৱৰ্তন

ইয়াৰ বাবে তোমালোকক পুৰণা বাতৰি কাকত, আলোচনী, ব্যৱহাৰ কৰা লেফাফা, টোকা বহী বা অন্য যি কোনো কাগজৰ প্ৰয়োজন হ'ব। চিক্‌মিকোৱা কাগজ, প্লাষ্টিক আৱৰণৰ কাগজ ব্যৱহাৰ নকৰিবা। তোমালোকক পাতল ধাতুৰ জাল বা জালেৰে সৈতে আৱৰা এটা ফ্ৰেমো লাগিব। তোমালোকে ফ্ৰেমৰ সলনি ডাঙৰ আকৃতিৰ চালনীও ব্যৱহাৰ কৰিব পাৰা।

কাগজবোৰ সৰু সৰু টুকুৰা কৰি ফালা। এটা টাব বা বাল্টিত ভৰোৱা আৰু তাত পানী ঢালা, কাগজৰ টুকুৰাবোৰ পানীত ডুব যোৱাকৈ এদিনৰ বাবে ৰাখা। এতিয়া এইখিনি ফেনেকি এটা ডাঠ লেই প্ৰস্তুত কৰা।

এতিয়া এই আৰ্দ্ৰ লেইখিনি ফ্ৰেমত থকা ধাতুৰ জালত বহলাই মেলি দিয়া। লেইটো যাতে সকলোফালে সমান ডাঠ হয় তাৰ বাবে ইয়াক লাহে লাহে থপৰিয়াই দিয়া। যেতিয়ালৈকে পানী ওলাই নাযায় তেতিয়ালৈকে অপেক্ষা কৰা। যদি প্ৰয়োজন হয়, এখন পুৰণা কাপোৰ বা বাতৰি কাকত লেইটোৰ ওপৰত মেলি দিয়া যাতে ই অতিৰিক্ত পানী শুহি লয়।

এতিয়া সাৱধানেৰে ফ্ৰেমৰ পৰা লেইৰ তৰপটো আঁতৰাই আনা আৰু এখন বাতৰি কাকতৰ ওপৰত ৰাখি ৰ'দত মেলি দিয়া। বাতৰি কাকতৰ চুককেইটা যাতে কোঁচ খাই নাযায় তাৰ বাবে গধুৰ বস্তুৰে চুককেইটা হেঁচা দি থবা।

তোমালোকে লেইখিনি ৰ'দত মেলি দিয়াৰ আগতে তাত খোৱা বস্তুত ব্যৱহাৰ কৰা ৰঙ, শুকান পাতৰ টুকুৰা, ফুলৰ পাহি বা ৰঙীন কাগজৰ টুকুৰা মিহলি কৰিব পাৰা। ইয়ে সুন্দৰ নক্সাৰ সৈতে পুনৰাৱৰ্তিত (Recycled) কাগজ পোৱাত সহায় কৰিব।

কাগজ পুনৰ প্ৰস্তুত কৰাৰ দৰে আমি সকলোবোৰ বস্তু পুনৰাই পাব পাৰোঁনে?

## ১৬.৫ প্লাষ্টিক — আশীৰ্বাদ নে অভিশাপ?

কিছুমান প্লাষ্টিক পুনৰ ব্যৱহাৰৰ উপযোগী কৰি ল'ব পাৰি, কিন্তু সকলোবোৰ নহয়। তোমালোকে ক্ৰিয়াকলাপ ১ ত নিৰীক্ষণ কৰিছিলানে যে পলিথিনৰ মোনা আৰু কিছুমান প্লাষ্টিক পচি নাযায়? এতিয়া তোমালোকে নিশ্চয় বুজি পালা যে পলিথিনৰ মোনাই কিয় আৱৰ্জনা নিষ্কাশনত এক ডাঙৰ সমস্যাৰ সৃষ্টি কৰে।

আমাৰ জীৱনটো প্লাষ্টিক অবিহনে ভবাটো কিছু কষ্টকৰ হ'ব পাৰে। আমি ব্যৱহাৰ কৰা প্লাষ্টিকেৰে প্ৰস্তুত কৰা সামগ্ৰীৰ এখন তালিকা প্ৰস্তুত কৰিব পাৰোঁনে? পুতলা, জোতা, বেগ, কলম, ফণি, দাঁত মজা ব্ৰাচ, বাল্টি, বটল আৰু পানীৰ পাইপ — তালিকাখন বহুত দীঘল। বাছ, সৰুগাড়ী, ৰেডিঅ', টেলিভিছন, ফ্ৰিজ আৰু স্কুটাৰৰ কিছু অংশ যিবোৰ প্লাষ্টিকেৰে প্ৰস্তুত কৰা হয় তাৰ নামবোৰ ক'ব পাৰিবানে?

প্লাষ্টিক ব্যৱহাৰে নিশ্চয় ইমান বেছি সমস্যাৰ সৃষ্টি কৰিব নোৱাৰে। তেতিয়াহে সমস্যাৰ সৃষ্টি হয় যেতিয়া আমি অত্যাধিক প্লাষ্টিক ব্যৱহাৰ কৰোঁ আৰু এইবোৰৰ পৰা সৃষ্ট আৱৰ্জনা নিষ্কাশনৰ বিষয়ে অজ্ঞ। আমাৰ চাৰিওফালে সেয়াই ঘটি আছে। আমি এইবোৰৰ অপকাৰিতাৰ বিষয়ে ভালদৰে জানিও নজনাৰ ভাও ধৰি আছোঁ।

আমি মাজে সময়ে ৰান্ধি থোৱা বস্তু ৰাখিবৰ বাবেও প্লাষ্টিক মোনা ব্যৱহাৰ কৰোঁ। কেতিয়াবা এই মোনাবোৰ

খোৱা বস্তু ৰাখিবৰ বাবে উপযোগী নহ'বও পাৰে। এনে প্লাষ্টিক মোনাত খোৱা খাদ্য বস্তু গ্ৰহণ কৰাটো স্বাস্থ্যৰ বাবে অনিষ্টকৰ হ'ব পাৰে। বহুক্ষেত্ৰত দোকানীয়ে আগতে বেলেগ কামত ব্যৱহাৰ কৰা প্লাষ্টিক মোনা পুনৰ ব্যৱহাৰ কৰে। কেতিয়াবা জাবৰ বোটলা লোকৰ পৰাও মোনা সংগ্ৰহ কৰি সেইবোৰক ধুই ব্যৱহাৰ কৰে। খোৱা বস্তু ৰখাৰ বাবে পুনৰাৱৰ্তিত প্লাষ্টিক মোনাৰ এনে ব্যৱহাৰবোৰ স্বাস্থ্যৰ বাবে অনিষ্টকৰ। খোৱা বস্তু ৰখাৰ বাবে উপযোগী বুলি স্বীকৃতিপ্ৰাপ্ত পলিথিনৰ মোনা ব্যৱহাৰত আমি জোৰ দিব লাগে।

গৰম কৰিলে বা জ্বলালে সকলো প্লাষ্টিকে অপকাৰী গেছ উলিয়াই দিয়ে। এই গেছবোৰে কেন্সাৰকে আদি কৰি মানৱ শৰীৰত নানা বেমাৰৰ সৃষ্টি কৰিব পাৰে। চৰকাৰেও প্লাষ্টিকৰ পুনৰাৱৰ্তনৰ বাবে নিৰ্দেশাৱলী বান্ধি দিছে।



এইক্ষেত্ৰত প্ৰহেলিকাই পৰামৰ্শ দিব বিচাৰে যে বিষাক্ত পদাৰ্থ ৰাখিবলৈ ব্যৱহাৰ কৰা পাত্ৰবোৰ পৃথককৈ ৰাখি পুনৰ ব্যৱহাৰৰ উপযোগী কৰিব লাগে আৰু এইবোৰৰ পৰা প্লাষ্টিক মোনা প্ৰস্তুত কৰিব নালাগে।

তোমালোকে লক্ষ্য কৰিছা যে মানুহে প্ৰায়েই প্লাষ্টিকৰ মোনাত জাবৰ-জোঁথৰবোৰ ভৰায় আৰু পাছত এইবোৰ পেলাই দিয়ে। যেতিয়া চৰি ফুৰা প্ৰাণীয়ে মোনাবোৰত আহাৰ দেখা পায়, তেতিয়া সিহঁতে এইবোৰ খায়। কেতিয়াবা এনে খাদ্য খোৱাৰ বাবে সিহঁতৰ মৃত্যুও হোৱা দেখা যায়।

পলিথিনৰ মোনাবোৰ ৰাস্তাত যেনিয়ে তেনিয়ে পেলোৱাৰ বাবে এইবোৰ নলাত জমা হয়। ফলস্বৰূপে নৰ্দমাবোৰ বন্ধ হৈ পানীবোৰ ৰাস্তালৈ বাগৰি আহে। যেতিয়া বেছি বৰষুণ দিয়ে ই তেতিয়া আনকি বানপানীৰ দৰে অৱস্থাৰো সৃষ্টি কৰিব পাৰে। প্লাষ্টিকৰ অতিমাত্ৰা ব্যৱহাৰে বহুত অনিষ্ট সাধন কৰিব পাৰে।

প্লাষ্টিক মোনাৰ ব্যৱহাৰ হ্ৰাস কৰিবৰ বাবে আৰু জাবৰ-জোঁথৰবোৰ ব্যৱহাৰ কৰিবৰ বাবে আমি কি কৰিব পাৰোঁ?

১। আমি কম পৰিমাণে প্লাষ্টিক মোনা ব্যৱহাৰ কৰিব লাগে। কোনো ধৰণৰ বেয়া প্ৰতিক্ৰিয়া হ'ব নোৱাৰাকৈ মোনাবোৰ পুনৰ ব্যৱহাৰ কৰিব লাগে।

২। আমি দোকানীসকলক কাগজৰ মোনা ব্যৱহাৰত গুৰুত্ব দিবলৈ ক'ব লাগে। আমি বজাৰলৈ যাওঁতে কাপোৰ বা মৰাপাটৰ মোনা লগত নিব লাগে।

৩। খোৱা বস্তু ৰাখিবৰ বাবে প্লাষ্টিক মোনা ব্যৱহাৰ কৰিব নালাগে।

৪। ব্যৱহাৰ কৰাৰ পিছত প্লাষ্টিক মোনাবোৰ য'তে ত'তে পেলাব নালাগে।

৫। আমি কেতিয়াও প্লাষ্টিক মোনা আৰু আন প্লাষ্টিকৰ বস্তু জ্বলাব নালাগে।

৬। জাবৰ-জোঁথৰবোৰ প্লাষ্টিক বেগত ভৰাই পেলাই দিব নালাগে।

৭। আমি যদি ঘৰত কেঁচুসাৰ ব্যৱহাৰ কৰোঁ তেতিয়া হ'লে আমাৰ পাকঘৰৰ পেলনীয়া সামগ্ৰীবোৰ ভালদৰে ব্যৱহৃত হ'ব।

৮। আমি কাগজবোৰ পুনৰ ব্যৱহাৰৰ উপযোগী কৰি ল'ব পাৰোঁ।

৯। কাগজৰ দুয়ো পিঠি লিখাৰ বাবে ব্যৱহাৰ কৰিব লাগে। বাহিৰা লিখা কামৰ বাবে আমি শ্লেটৰ ব্যৱহাৰ কৰিব পাৰোঁ। টোকাবহীত বৈ যোৱা খালী কাগজবোৰ আমি অন্যান্য লিখা কামৰ বাবে ব্যৱহাৰ কৰিব পাৰোঁ।

১০। আমি আমাৰ পৰিয়াল, বন্ধু আন সকলোকে বিভিন্ন ধৰণৰ জাবৰ-জোঁথৰবোৰৰ উপযুক্তভাৱে পেলোৱাৰ অভ্যাস কৰাব পাৰোঁ।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথাষাৰ হ'ল আমি যিমান বেছি জাবৰ-জোঁথৰৰ সৃষ্টি কৰিম সিমানেই ইয়াৰ পৰা পৰিত্ৰাণ পোৱাটো কঠিন হ'ব।

## মূল শব্দ

| | | |
|---|---|---|
| পেলনীয়া বস্তু | — | Waste |
| আৱৰ্জনা বা জাবৰ-জোঁথৰ | — | Garbage |
| জাবৰ পেলোৱা ঠাই (পিটনি) | — | Land fill |
| পচন সাৰ | — | Compost |
| কেঁচুসাৰ প্ৰস্তুতকৰণ | — | Vermicomposting |
| পুনৰাৱৰ্তন | — | Recycling |



## সাৰাংশ

- জাবৰ পেলোৱা পিটনি এনে এখন ঠাই য'ত চহৰ বা নগৰৰ পৰা আৱৰ্জনাবোৰ সংগ্ৰহ কৰি আনি দ'ম কৰা হয়। পিচত এই ঠাই পাৰ্কলৈ পৰিৱৰ্তিত কৰা হয়।
- উদ্ভিদ আৰু প্ৰাণীৰ লগতে পাকঘৰৰ পৰা পোৱা বৰ্জিত দ্ৰব্যবোৰ প্ৰাকৃতিক সাৰলৈ ৰূপান্তৰিত কৰাকে পচন সাৰ প্ৰস্তুতকৰণ বোলা হয়।
- ৰঙা কেঁচু ব্যৱহাৰ কৰি যি পদ্ধতিৰ দ্বাৰা পাকঘৰৰ আৱৰ্জনাবোৰৰ পৰা পচন সাৰ প্ৰস্তুত কৰা হয় তাকে কেঁচুসাৰ প্ৰস্তুতকৰণ বোলা হয়।
- প্ৰয়োজনীয় সামগ্ৰী পাবৰ বাবে কাগজক পুনৰ ব্যৱহাৰৰ উপযোগী কৰিব পাৰি।
- পচন প্ৰক্ৰিয়াৰ দ্বাৰা প্লাষ্টিকক কম অপকাৰী বস্তুলৈ পৰিৱৰ্তিত কৰিব নোৱাৰি।
- আমি আৱৰ্জনা কমকৈ সৃষ্টি কৰিব লাগে আৰু আমাৰ চৌপাশে বৃদ্ধি হৈ অহা জাবৰ-জোঁথৰবোৰৰ পৰিমাণ কেনেদৰে কমাব পাৰি তাৰ ব্যৱস্থাৰ কথা ভাবিব লাগে।

## অনুশীলনী

১। (ক) ৰঙা কেঁচুৱে কোনবোৰ আৱৰ্জনা সাৰলৈ ৰূপান্তৰিত কৰিব নোৱাৰে?

(খ) তোমালোকে গাঁতবোৰত ৰঙা কেঁচুৰ বাহিৰে আন জীৱ দেখিছিলানে? যদি দেখা পাইছা, তেতিয়াহ'লে নামবোৰ বিচাৰি উলিওৱা। সেইবোৰৰ ছবি আঁকা।

২। আলোচনা কৰা ঃ

(ক) আৱৰ্জনাবোৰ আঁতৰোৱাৰ দায়িত্ব মাথোঁ চৰকাৰৰ নে?

(খ) আৱৰ্জনা নিষ্কাশনৰ সমস্যাবোৰ কমাব পৰা সম্ভৱনে?

৩। (ক) ঘৰত অৱশিষ্ট হিচাপে বৈ যোৱা খাদ্য বস্তুবোৰ তোমালোকে কি কৰা?
(খ) যদি তোমাক আৰু তোমালোকৰ বন্ধুসকলক ভোজমেলত প্লাষ্টিকৰ প্লেট বা কল পাতত খাবলৈ দিয়ে তুমি কোনখনত খাবলৈ বিচাৰিবা আৰু কিয় বিচাৰিবা?
৪। (ক) বিভিন্ন ধৰণৰ কাগজৰ টুকুৰা সংগ্ৰহ কৰা। এইবোৰৰ কোনবোৰক পুনৰ ব্যৱহাৰৰ উপযোগী কৰি প্ৰস্তুত কৰিব পাৰি বিচাৰি উলিওৱা।
(খ) লেন্সৰ সহায়ত ওপৰৰ প্ৰশ্নটোত সংগ্ৰহ কৰা কাগজৰ টুকুৰাবোৰ চোৱা। তোমালোকে পুনৰাৱৰ্তিত কাগজৰ আৰু এখিলা নতুন কাগজৰ টুকুৰাৰ মাজত কিবা পাৰ্থক্য দেখিছানে?
৫। (ক) বিভিন্ন ধৰণৰ টোপোলা বন্ধা কাগজ বা সামগ্ৰী সংগ্ৰহ কৰা। কোনবিধক কি উদ্দেশ্যত ব্যৱহাৰ কৰা হৈছিল দলত আলোচনা কৰা।
(খ) যিবোৰ বস্তুত সাধাৰণতে টোপোলা নাবান্ধিলেও হয় তাৰ উদাহৰণ দিয়া।
(গ) কেনেদৰে টোপোলা বন্ধাৰ বাবে আৱৰ্জনাৰ পৰিমাণ বৃদ্ধি হয় সেই বিষয়ে এটা গল্প লিখা।
৬। ৰাসায়নিক সাৰৰ সলনি পচন সাৰ ব্যৱহাৰ কৰাটো উত্তম বুলি তোমালোকে ভাবানে? কিয় ভাবা?

## আৱৰ্জনাক লৈ কৰিব পৰা ক্ৰিয়াকলাপ

১। পুৰণা আৰু পেলনীয়া বস্তু যেনে— কাচৰ বটল, প্লাষ্টিক বটল, নাৰিকলৰ বাকলি, উল, বিছনা চাদৰ, শুভেচ্ছা কাৰ্ড আৰু অন্য বস্তুবোৰ সংগ্ৰহ কৰা। পেলাই দিয়াৰ সলনি এইবোৰৰ পৰা প্ৰয়োজনীয় কিছুমান নতুন বস্তু প্ৰস্তুত কৰিব পাৰিবানে? চেষ্টা কৰা।
২। তোমালোকৰ বিদ্যালয়ত পচন সাৰ প্ৰস্তুত কৰোঁতে কৰা ক্ৰিয়াকলাপৰ এটা বিস্তৃত প্ৰকল্প টোকা প্ৰস্তুত কৰা।

## এক ভাবিবলগীয়া বিষয়!

শৰৎ কালত দিল্লীৰ নিচিনা মহানগৰীত যথেষ্ট শুকান পাত জ্বলাই দিয়া হয়। এনে কৰাৰ ফলত কিছুমান গেছ উৎপন্ন হয় যিবোৰ গাড়ী, মটৰৰ পৰা ওলোৱা ধোঁৱাৰ দৰে।

জ্বলাই দিয়াৰ সলনি এই পাতবোৰৰ পৰা পচন সাৰ প্ৰস্তুত কৰিলে আমি ৰাসায়নিক সাৰৰ প্ৰয়োগ কমাব পাৰোঁ।

সেউজীয়া অঞ্চলসমূহত মুক্ত বায়ু থাকিব লাগিছিল, কিন্তু পাতবোৰ জ্বলাই দিয়াৰ বাবে এই অঞ্চলসমূহ বিষাক্ত বায়ুৰে পূৰ হৈ পৰিছে।

যদি তোমালোকে এনে পাত জ্বলাই দিয়া দেখিছা তেতিয়াহ'লে তোমালোকে পৌৰ নিগমক জনাবা বা বাতৰি কাকতত ইয়াৰ বিষয়ে লিখিবা।

পাত জ্বলোৱাৰ বিপক্ষে জনমত গঢ়ি তুলিবা। নিশ্চিত হ'বা যাতে এইবোৰ জ্বলাই দিয়াৰ সলনি পচনসাৰ প্ৰস্তুত কৰাত ব্যৱহাৰ হয়।

তোমাৰ চহৰ বা ৰাজ্যৰ বন বিভাগ বা "গছ প্ৰাধিকাৰী"ক পাত জ্বলোৱা কাৰ্যটো এক অপৰাধ বুলি জাননী জাৰি কৰিবলৈ লিখিতভাৱে আহ্বান জনাবা।